**NSD NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 21-10-2024
**Time :** 1340 Hrs.

***Assamese Midday Bulletin***
***HEADLINES***

১। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে কৈছে যে, ভাৰতে গোলকীয় ভৱিষ্যৎ গঢ়াৰ দিশত অগ্ৰণী ভূমিকা গ্ৰহণ কৰিছে।

২। আৰক্ষী স্মৃতি দিৱস উপলক্ষে আজি গৃহমন্ত্ৰী অমিত শ্বাহে কৰ্তব্যৰ সময়ত নিজৰ সৰ্বোচ্চ বলিদান দি অমৰ হোৱা শ্বহীদসকলক প্ৰণাম কৰে।

৩। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে কৈছে যে, চৰকাৰৰ উড়ান আঁচনিখনে ভাৰতৰ বিমান পৰিবহন খণ্ডৰ পৰিৱৰ্তন আনিছে।

৪। জম্মু-কাশ্মীৰৰ গান্দেৰবাল জিলাত উগ্ৰপন্থীৰ আক্ৰমণত  এজন চিকিৎসকসহ ছজন শ্ৰমিকৰ মৃত্যু হৈছে।

*আৰু*

৫। মেক্সিকোত চলি থকা বিশ্ব আৰ্চাৰী প্ৰতিযোগিতাত ভাৰতৰ দীপিকা কুমাৰীয়ে মহিলাৰ ৰিকাৰ্ভ শাখাত ৰূপৰ পদক অৰ্জন কৰিছে।

০০০০০০০

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে কৈছে যে, ভাৰতে গোলকীয় ভৱিষ্যৎ গঢ়াৰ দিশত অগ্ৰণী ভূমিকা গ্ৰহণ কৰিছে। তেওঁ কয় যে, দেশে সকলো ক্ষেত্ৰতে এক অভূতপূৰ্ব স্তৰত আগবাঢ়ি আছে। এটা ব্যক্তিগত সংবাদ আউটলেটৰ দ্বাৰা আয়োজিত বিশ্ব শীৰ্ষ সন্মিলনত ভাষণ দি প্ৰধানমন্ত্ৰীয়ে কয় যে, বিশ্বই এ আইক কৃত্ৰিম বুদ্ধিমত্তা হিচাপে স্বীকৃতি দিলেও ভাৰত হৈছে ভিন্ন ধৰণৰ কৃত্ৰিম বুদ্ধিমত্তা আকাংক্ষিত ৰাষ্ট্ৰ। তেওঁ কয় যে, যি সময়ত বিশ্ব অনিশ্চয়তাত ডুব গৈছিল সেই সময়ত ভাৰতে এক আশাৰ ৰেঙণি হিচাপে আত্মপ্ৰকাশ কৰিছিল। কোভিড-১৯, বিশ্ব অৰ্থনীতি, মুদ্ৰাস্ফীতি, নিবনুৱা সমস্যা, জলবায়ু পৰিৱৰ্তন আদি বিষয়সমূহত আলোকপাত কৰি শ্ৰী মোদীয়ে বিশ্বৰ পৰিস্থিতিয়ে ভাৰততো প্ৰভাৱ পেলাব বুলি কয়।

প্ৰধানমন্ত্ৰীয়ে লগতে কয় যে, এন ডি এ চৰকাৰৰ তৃতীয়টো কাৰ্যকালৰ মাত্ৰ ১২৫ দিনতে ৯ লাখ কোটি টকাৰ আন্তঃগাঁথনি প্ৰকল্পত অনুমোদন জনোৱা হৈছিল আৰু ১৫খন নতুন বন্দে ভাৰত ৰে'ল মুকলি কৰা হৈছিল। তেওঁ কয় যে, ৮টা বিমান বন্দৰ নিৰ্মাণৰ কাম আৰম্ভ হৈছে, পাঁচ লাখ ঘৰৰ চাদৰ ওপৰত সৌৰ প্ৰকল্প স্থাপন কৰা হৈছে আৰু ৯০ কোটিৰো অধিক গছপুলি ৰোপন কৰা হৈছে। প্ৰধানমন্ত্ৰীয়ে কয় যে, ১২৫ দিনতে দেশৰ বৈদেশিক মুদ্ৰাৰ বজাৰ ৭০০ বিলিয়ন ডলাৰলৈ বৃদ্ধি হৈছে। তেওঁ লগতে কয় যে, গোলকীয় ফিনটেক উৎসৱ, বিশ্বৰ অৰ্ধপৰিবাহী পৰিৱেশ তন্ত্ৰৰ বিষয়ে আলোচনা, নৱীকৰণযোগ্য শক্তি আৰু অসামৰিক বিমান পৰিবহনৰ ওপৰত আন্তঃৰাষ্ট্ৰীয় সন্মিলনৰো আয়োজন কৰা হৈছিল। প্ৰধানমন্ত্ৰী মোদীয়ে কয় যে, এয়া হৈছে ভাৰতৰ সৈতে জড়িত আশাৰ তালিকা।

০০০০০০০

আৰক্ষী স্মৃতি দিৱস উপলক্ষে আজি গৃহমন্ত্ৰী অমিত শ্বাহে কৰ্তব্যৰ সময়ত নিজৰ সৰ্বোচ্চ বলিদান দি অমৰ হোৱা শ্বহীদসকলক প্ৰণাম কৰে। সামাজিক মাধ্যমযোগে দিয়া এটা বাৰ্তাত শ্ৰী শ্বাহে কয় যে, এই দিৱসে আৰক্ষী কৰ্মী আৰু তেওঁলোকৰ পৰিয়ালে কৰা ত্যাগক সন্মান জনোৱা হয়। দেশৰ কাৰণে তেওঁলোকে কৰা ত্যাগৰ কাৰণে গৃহমন্ত্ৰীগৰাকীয়ে আন্তৰিক কৃতজ্ঞতা জ্ঞাপন কৰে।

শ্ৰী শ্বাহে আজি পুৱা নতুন দিল্লীৰ ৰাষ্ট্ৰীয় আৰক্ষীৰ স্মাৰকত পুষ্পাঞ্জলি অৰ্পণ কৰে আৰু আৰক্ষী স্মৃতি দিৱস উপলক্ষে শ্বহীদসকললৈ শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰে। গৃহ ৰাজ্য মন্ত্ৰী বন্দি সঞ্জয় কুমাৰ, গৃহসচিব গোবিন্দমোহন, চোৰাংচোৱা সংস্থাৰ সঞ্চালক তপন কুমাৰ ডেকা সহ আন আন বিশিষ্ট ব্যক্তিসকলেও ৰাষ্ট্ৰীয় আৰক্ষী স্মাৰকত শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰে।

শ্ৰী শ্বাহে কয় যে, ৩৬ হাজাৰ ৪৬৮ গৰাকী আৰক্ষী কৰ্মীয়ে কৰ্তব্যৰত অৱস্থাত সৰ্বোচ্চ বলিদান দিছে। তেওঁ কয় যে, যোৱা এটা বছৰত ২১৬ গৰাকী আৰক্ষী কৰ্মীয়ে সৰ্বোচ্চ বলিদান দিছে। গৃহমন্ত্ৰীগৰাকীয়ে লগতে কয় যে, যোৱাটো দশকত বীৰ জোৱানসকলৰ প্ৰচেষ্টাত জম্মু-কাশ্মীৰ, উত্তৰ-পূৰ্বাঞ্চল আৰু বাঁওপন্থী উগ্ৰবাদৰ দ্বাৰা প্ৰভাৱিত অঞ্চলসমূহলৈ শান্তি ঘূৰাই অনা হৈছে। তিনিখন নতুন অপৰাধমূলক আইনৰ জৰিয়তে অপৰাধ আইনে এইটো সুনিশ্চিত কৰিব যে, দেশৰ অপৰাধ আইন ব্যৱস্থা যাতে বিশ্বৰ ভিতৰতে আধুনিকৰূপে পৰিগণিত হয়।

গৃহমন্ত্ৰীগৰাকীয়ে কয় যে, প্ৰধানমন্ত্ৰীৰ দায়িত্ব লোৱাৰ পাছতে নৰেন্দ্ৰ মোদী ডাঙৰীয়াই সিদ্ধান্ত লৈছিল যে সকলো সাহসী জোৱানৰ সন্মনত দিল্লীত এনে এখন স্মাৰক নিৰ্মাণ কৰা হ'ব যিয়ে, যুৱক-যুৱতী তথা জনসাধাৰণক অনুপ্ৰাণিত কৰিব। ৰাষ্ট্ৰৰ বাবে প্ৰাণ আহুতি দিয়া বীৰ জোৱানসকলৰ ওচৰত দেশৰ জনসাধাৰণ সদায় ঋণী হৈ থাকিব বুলি শ্ৰী শ্বাহে কয়।

0000000

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আজি কৈছে যে, চৰকাৰৰ উড়ান আঁচনিখনে ভাৰতৰ বিমান পৰিবহন খণ্ডৰ পৰিৱৰ্তন আনিছে। আঁচানিখনৰ অষ্টম বৰ্ষপূৰ্তি উপলক্ষে প্ৰধানমন্ত্ৰীয়ে সামাজিক মাধ্যমযোগে দিয়া এটা বাৰ্তাত কয় যে, এই আঁচনিখনে বিমান বন্দৰ আৰু বিমান পথৰ সংখ্যা বৃদ্ধি কৰাৰ লগে লগে কোটি কোটি লোকৰ সুচল বিমান যাত্ৰা নিশ্চিত কৰিছে। তেওঁ লগতে কয় যে, এই আঁচনিখনে বাণিজ্যিক বৃদ্ধিৰ ক্ষেত্ৰতো উল্লেখযোগ্য প্ৰভাৱ পেলাইছে।

0000000

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে যোড়শ ব্ৰাজিল, ৰাছিয়া, ভাৰত, চীন আৰু দক্ষিণ আফ্ৰিকা অৰ্থাৎ ব্ৰিকছ্ সন্মিলনত অংশগ্ৰহণ কৰাৰ উদ্দেশ্যে আজি ৰাছিয়ালৈ যাব। প্ৰধানমন্ত্ৰীয়ে এই সন্মিলনৰ আপাহঁতে সদস্য ৰাষ্ট্ৰৰ নেতা তথা অন্যান্য আমন্ত্ৰিত ব্যক্তিসকলৰ সৈতে দ্বিপাক্ষিক বৈঠকত মিলিত হ'ব। ব্ৰিকছৰ সদস্য ৰাষ্ট্ৰৰ সংখ্যা ৯ খনলৈ বৃদ্ধি পোৱাৰ পাছত এইবাৰ প্ৰথমবাৰৰ বাবে এই সন্মিলন অনুষ্ঠিত হৈছে। ২০২৩ চনত দক্ষিণ আফ্ৰিকাত অনুষ্ঠিত ব্ৰিকছ্ সন্মিলনত ইজিপ্ত, ইৰাণ, ইথিউপিয়া আৰু সংযুক্ত আৰৱ আমিৰি ৰাষ্ট্ৰক অন্তৰ্ভুক্ত কৰাৰ প্ৰস্তাৱ আগবঢ়োৱা হৈছিল। বিদেশ পৰিক্ৰমা মন্ত্ৰালয়ে এটা বিবৃতিত প্ৰকাশ কৰা অনুসৰি প্ৰধানমন্ত্ৰী মোদীয়ে ৰাছিয়াৰ ৰাষ্ট্ৰপতি ভ্লাডিমিৰ পুটিনৰ আমন্ত্ৰণমৰ্মে কাইলৈ আৰু পৰহিলৈ কাজানত অনুষ্ঠিত ব্ৰিকছ্ সন্মিলনত অংশ ল'ব। এইবাৰৰ এই সন্মিলনৰ বিষয় হৈছে- **গোলকীয় বিকাশ আৰু সুৰক্ষাৰ বাবে বহুপাক্ষিকতা শক্তিশালী কৰা**। এই সন্মিলনে বিশ্বৰ নেতাসকলক

গুৰুত্বপূৰ্ণ গোলকীয় বিষয় সন্দৰ্ভত আলোচনা কৰাৰ বাবে এখন মঞ্চ প্ৰদান কৰিব। তদুপৰি এই সন্মিলনে ব্ৰিকছ ৰাষ্ট্ৰগোষ্ঠীয়ে গ্ৰহণ কৰা বিভিন্ন পদক্ষেপৰ অগ্ৰগতি সন্দৰ্ভত আলোচনা কৰা তথা ভৱিষ্যতৰ সহযোগিতাৰ সম্ভাৱনাময় ক্ষেত্ৰসমূহ চিনাক্ত কৰাৰ ক্ষেত্ৰত বিশেষ সুযোগ প্ৰদান কৰিব। মূল বৈঠকৰ উপৰিও **ব্ৰিকছ আৰু গোলকীয় দক্ষিণ ঃ একেলগে বিশ্বৰ ভৱিষ্যৎ নিৰ্মাণ** বিষয়ত ব্ৰিকছ্ প্লাছ বৈঠকো অনুষ্ঠিত হ'ব। এই বৈঠকত এছিয়া, আফ্ৰিকা, মধ্য প্ৰাচ্য আৰু দক্ষিণ আমেৰিকাৰ প্ৰতিনিধিসকলে অংশগ্ৰহণ কৰিব।

0000000

জম্মু-কাশ্মীৰৰ গান্দেৰৱাল জিলাৰ গগনগীৰ অঞ্চলত এজন কাশ্মীৰী চিকিৎসকসহ ছজন শ্ৰমিকৰ উগ্ৰপন্থীৰ আক্ৰমণত মৃত্যু হয়। ছ'নমাৰ্গ অঞ্চলত জেড-ম'ৰ সুৰংগৰ নিৰ্মাণ স্থলীত দুটা উগ্ৰপন্থীয়ে এই ঘটনা সংঘটিত কৰে। বাডগাম জিলাৰ নাইডগাম গাঁৱৰ বাসিন্দা ডাঃ ছাহনৱাজৰো কৰ্মৰত অৱস্থাত মৃত্যু হয়। এইটো হৈছে যোৱা তিনিদিনত এইটো হৈছে দ্বিতীয়টো উগ্ৰপন্থীৰ আক্ৰমণৰ ঘটনা য'ত শ্ৰমিকসকলক লক্ষ্য কৰি লোৱা হৈছে। যোৱা শুক্ৰবাৰে দক্ষিণ কাশ্মীৰৰ ছপিয়ান জিলাত উগ্ৰপন্থীয়ে বিহাৰৰ এজন শ্ৰমিকক হত্যা কৰিছিল।

কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহে মধ্য কাশ্মীৰৰ গান্দেৰৱাল জিলাৰ গগনগীত জনসাধাৰণৰ ওপৰত কৰা উগ্ৰপন্থী আক্ৰমণ কাপুৰুষালী বুলি উল্লেখ কৰি এই ঘটনাৰ নিন্দা কৰে। তেওঁ কয় যে, এই জঘন্য ঘটনাৰ লগত জড়িত লোকসলক ক্ষমা কৰা নহ'ব। শ্ৰী শ্বাহে এই ঘটনাত মৃত্যু হোৱা লোকসকলৰ পৰিয়াললৈ গভীৰ সমবেদনা জ্ঞাপন কৰা লগতে আহতসকলৰ আশুআৰোগ্য কামনা কৰে। উপ-ৰাজ্যপাল মনোজ সিন্হায়ো সামাজিক মাধ্যমযোগে এই ঘটনাৰ নিন্দা কৰিছে। মুখ্যমন্ত্ৰী ওমৰ আব্দুল্লাই এই ঘটনাক বৰবৰ আৰু কাপুৰুষালি বুলি উল্লেখ কৰি শোকসন্তপ্ত পৰিয়াললৈ সমবেদনা জ্ঞাপন কৰে।

0000000

উপ-ৰাষ্ট্ৰপতি জগদীপ ধনখড়ে আজি আলিগড় ৰাজা মহেন্দ্ৰ প্ৰতাপ সিং ৰাজ্যিক বিশ্ববিদ্যালয়ৰ প্ৰথম সমাৱৰ্তন সমাৰোহত মুখ্য অতিথি হিচাপে অংশগ্ৰহণ কৰিব। সমাৱৰ্তন অনুষ্ঠানত উপ-ৰাষ্ট্ৰপতি ধনখড় আৰু উত্তৰ প্ৰদেশৰ ৰাজ্যপাল আনন্দি বেন পেটেলে স্নাতক আৰু স্নাতকোত্তৰ ছাত্ৰ-ছাত্ৰীৰ মাজত ৪১ টা সোণৰ পদক বিতৰণ কৰিব। উল্লেখযোগ্য যে ২০২১ চনৰ ১৪ ছেপ্তেম্বৰত প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে এই বিশ্ববিদ্যালয়ৰ আধাৰশিলা স্থাপন কৰিছিল।

0000000

আগন্তুক উপ-নিৰ্বাচনৰ বাবে অসমৰ ৩২ নম্বৰ বঙাইগাঁও বিধানসভা সমষ্টিত সাংসদ ফণীভূষণ চৌধুৰীৰ পত্নী দিপ্তীময়ী চৌধুৰীৰ নাম চূড়ান্ত কৰা হৈছে। অসম গণ পৰিষদ দলৰ সভাপতি অতুল বৰাই দলীয় প্ৰাৰ্থী হিচাপে শ্ৰীমতী চৌধুৰীক মনোনীত কৰে।

0000000

আকাশবাণীৰ বাতৰি সেৱা বিভাগৰ দ্বিভাষিক ফোন ইন অনুষ্ঠান পাব্লিক স্পীকত আজি নিশা চাৰে ৯ বজাত **ডিজিটেল জীৱিত থকাৰ প্ৰমাণপত্ৰ** সন্দৰ্ভত পেন্সন আৰু পেন্সনাৰৰ কল্যাণ বিভাগৰ যুটীয়া সচিব ধ্ৰুৱজ্যোতি সেনগুপ্তৰ সৈতে হোৱা এলানি বিশেষ আলোচনা সম্প্ৰচাৰ কৰা হ'ব। আগ্ৰহী শ্ৰোতাসকলে অনুষ্ঠান চলি থকাৰ

সময়ত ০১১-২৩৪২ ১০৫০ আৰু ০১১ ২৩৩১ ৪৪৪৪ নম্বৰত ফোন কৰি সমল ব্যক্তিগৰাকীক জীৱিত থকাৰ ডিজিটেল প্ৰমাণপত্ৰৰ গুৰুত্ব, ইয়াৰ বাবে যাৱতীয় ব্যৱস্থা আদি সন্দৰ্ভত প্ৰশ্ন সুধিব পাৰিব। তেওঁলোকে লগতে ৱাটছ্এপ যোগে ৯২৮৯০ ৯৪০৪৪ নম্বৰলৈও প্ৰশ্ন প্ৰেৰণ কৰিব পাৰিব। আকাশবাণীৰ এফ এম গ'ল্ড চেনেল আৰু অতিৰিক্ত ফ্ৰিকুয়েন্সিসমূহৰ যোগেদি এই অনুষ্ঠান প্ৰচাৰ কৰা হ'ব। শ্ৰোতাসকলে আমাৰ ৱেৱছাইট newsonair.co.in আৰু ইউটিউব চেনেল newsonairofficial যোগেও এই অনুষ্ঠান শুনিবলৈ পাব।

০০০০০০০

আজি বিশ্ব আয়'ডিনৰ অভাৱজনিত বিসংগতি প্ৰতিৰোধ দিৱস। আয়'ডিনৰ অভাৱত হোৱা বিসংগতিসমূহ প্ৰতিৰোধ কৰাৰ ক্ষেত্ৰত সজাগতা সৃষ্টিৰ বাবে এই দিৱস পালন কৰা হয়। এই দিৱসৰ মূল লক্ষ্য হৈছে সু-স্বাস্থ্য বজাই ৰখাত আয়'ডিনৰ অপৰিহাৰ্য্য ভূমিকা সম্পৰ্কে সজাগতা সৃষ্টি কৰা। আয়'ডিনৰ অভাৱত হোৱা বিকাৰৰ সমাধানৰ বাবে চৰকাৰে ৰাষ্ট্ৰীয় আয়'ডিন অভাৱজনিত বিকাৰ নিয়ন্ত্ৰণ কাৰ্যসূচী আৰম্ভ কৰে।

০০০০০০০

মেক্সিকোত চলি থকা বিশ্ব আৰ্চাৰী প্ৰতিযোগিতাত ভাৰতৰ দীপিকা কুমাৰীয়ে মহিলাৰ ৰিকাৰ্ভ শাখাত ৰূপৰ পদক অৰ্জন কৰিছে। ফাইনেলত দিপীকা কুমাৰী চীনৰ লী জিয়ামেনৰ হাতত পৰাস্ত হয়। দিপীকাই ছেমিফাইনেলত মেক্সিকোৰ আলেজেণ্ড্ৰা ভেলেনছিয়াক ৬-৪ ফলাফলত পৰাস্ত কৰি ফাইনেলত প্ৰৱেশ কৰিছে। উল্লেখযোগ্য যে, ভাৰতীয় ধনুৰ্বিদ গৰাকীয়ে বিশ্ব আৰ্চাৰী প্ৰতিযোগিতাত পঞ্চমবাৰৰ বাবে দ্বিতীয় স্থান লাভ কৰে।

০০০০০০০

**সমাপ্ত**